# নৱম আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদ্‌যাপন নৱজ্যোতি মহাবিদ্যালয়ৰ




গণ বাৰ্তা, কলগাছিয়া/বৰপেটা, ২১ জুন ঃ আজি নৱজ্যোতি মহাবিদ্যালয়ত নৱম আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদ্‌যাপন কৰা হয়। ৰাতিপুৱা ৮ বজাত আৰম্ভ হোৱা অনুষ্ঠানটিত উপস্থিত থাকে নৱজ্যোতি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ছাহজাহান আলী আহমেদদেৱ আৰু লগতে উপস্থিত থাকে মহাবিদ্যালয়ৰ উপাধ্যক্ষ সুশীল কুমাৰ সৰকাৰদেৱ, বিভিন্ন বিভাগৰ অধ্যাপক-অধ্যাপিকা, মহাবিদ্যালয়ৰ এন.চি.চি. কেডাৰসকল আৰু ছাত্ৰ-ছাত্ৰীসকল। মহাবিদ্যালয়ৰ অধ্যক্ষই বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানটিৰ শুভাৰম্ভ কৰে। উক্ত অনুষ্ঠানত প্ৰতিষ্ঠিত শৰীৰ চৰ্চাৰ প্ৰশিক্ষক ক্ৰমে আনোৱাৰ হুছেইন আৰু ফৰিদ আত্ৰাফুল ৰাজা উপস্থিত থাকে। অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ছাহজাহান আলী আহমেদদেৱে। যোগ দিৱস আৰু যোগাসনৰ উপকাৰিতা তথা প্ৰয়োজনীয়তা সম্পৰ্কে বক্তব্য আগবঢ়ায় অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা মেঘালী মহন্তই। ইয়াৰ পিছতে শৰীৰচৰ্চাৰ প্ৰশিক্ষক দুজনে প্ৰথমতে "ৱাৰ্ম-আপ" অনুশীলন কৰোৱাৰ লগতে "সূৰ্য-নমস্কাৰ" আৰু কেইবাটাও "আসন" কৰায়। শিক্ষকসকলৰ অনুৰোধ মৰ্মেও মেঘালী মহন্তই কেইটামান "আসন" কৰায়। শেষত সামৰণি ভাষণ আৰু শলাগৰ শৰাই আগবঢ়ায় যোগ-দিৱস উদ্‌যাপন সমিতিৰ সমন্বয়ক তথা শিক্ষা বিভাগৰ সহকাৰী অধ্যাপক মোস্তাফিজুৰ ৰহমানে। গোটেই সভাখনৰ অতি দক্ষে আৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপিকা ড° কাকলি হাজৰিকাই।

---

22 June: Thursday, 2023
Dainik Rana Adhikar.